লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# অসংলগ্ন

✍ উৎপল শৰ্মা

একেটা মুদ্ৰাৰ ভিন ভিন পিঠি,
একেটা খামত ভিন ভিন চিঠি।
একেখন আকাশৰে ৰ'দ আৰু বৰষুণ,
একেখিনি ডাৱৰেই বান্ধে, খোলে গাঁঠি।

যি প্ৰশ্নৰ উত্তৰত আপুনি
ওঁঠত আঁকি লয় মৌনতা,
তাতেই থূপ খায় আন কাৰোবাৰ
জীৱনৰ দুৰ্বিষহ দীনতা।

বিশেষণবোৰো বতাহৰ দৰে
একেটা উশাহতে সৰে।
মন গ'ল, কৈ দিয়ক-
তেওঁ স্বাৰ্থপৰ।
আৰু নিজৰ বাবে বাচি লওক
নিৰাপদ ঠাইডোখৰ।

কাৰোবাৰ বাবে ৰৈ থাকে মধুশালা,
কাৰোবাৰ ভাগত গৰল এপিয়লা।

ভাললগা ভুলবোৰ
শীতৰ জুহালৰ দিয়াচলাই।
দিয়া হওক জ্বলাই!

একেটা বাকচত ভিন ভিন কাঠী।
একেটা শৰীৰত ৰাতি-দিন যাঠী।
উপাসনাৰ সেই একেটি ঘৰতে
ভিন ভিন ঠগা আৰু এখনেই পুথি।

**যোগাযোগৰ ঠিকনা:**
+919508511765